# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 08-07-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। ব্ৰিকছ্ সন্মিলনত অংশগ্ৰহণ কৰাৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি ব্ৰাজিলৰ ব্ৰাচিলিয়াত উপস্থিত হৈছে।

২। শক্তি খণ্ডত নিজৰ সামৰ্থ উন্নীতকৰণ আৰু সম্প্ৰসাৰণৰ বাবে ভাৰতে নৰৱেত বিভিন্ন প্ৰকল্পৰ সন্ধান কৰি আছে বুলি কেন্দ্ৰীয় মন্ত্ৰী হৰদ্বীপ সিং পুৰীয়ে প্ৰকাশ কৰিছে।

৩। ধাৰাষাৰ বৰষুণৰ পৰিপ্ৰেক্ষিতত নাগালেণ্ডৰ জীৱন যাত্ৰা স্তব্ধপ্ৰায় হৈ পৰিছে।

৪। অহা পহিলা আগষ্টৰ পৰা প্ৰযোজ্য হোৱাকৈ জাপান আৰু দক্ষিণ কোৰিয়াৰ সামগ্ৰীত ২৫ শতাংশ শুল্ক আৰোপ কৰা হ'ব বুলি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ঘোষণা কৰিছে।

*আৰু*

৫। নোভাক জকভিছে উইম্বলডন টেনিছ্ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি পুৱাই ব্ৰাচিলিয়াত উপস্থিত হৈছে। ব্ৰাজিলৰ প্ৰতিৰক্ষা মন্ত্ৰী জ'চ মিউকিঅ' মনটেইৰ' ফিলহ'ই বিমান বন্দৰত প্ৰধানমন্ত্ৰী শ্ৰীমোদীক আন্তৰিক আদৰণি জনায়। দুদিনীয়া কাৰ্যসূচীৰে ৰিঅ' ডি জেনেৰিঅ'ত অনুষ্ঠিত ব্ৰিকছ্ সন্মিলনত অংশগ্ৰহণ কৰাৰ পাছত শ্ৰীমোদী আজি ব্ৰাচিলিয়াত উপস্থিত হৈছে। ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে সামাজিক মাধ্যমৰ জৰিয়তে কয়, যে ভাৰত আৰু ব্ৰাজিলৰ মাজত সম্পৰ্ক আৰু বিভিন্ন ক্ষেত্ৰত অংশীদাৰিত্বৰ নতুন দৃষ্টিভংগীৰে প্ৰধানমন্ত্ৰী মোদী চহৰখনত উপস্থিত হৈছে। তেওঁ লগতে কয়, যে ব্ৰাজিলৰ পৰম্পৰাগত চাম্বা নৃত্য-গীতেৰে প্ৰধানমন্ত্ৰী মোদীক সাংগিতিক আদৰণি জনোৱা হয়।

প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে পাৰস্পৰিক স্বাৰ্থ জড়িত হৈ থকা বিষয়সমূহত ভাৰত আৰু ব্ৰাজিলৰ মাজত ব্যাপক কৌশলগত অংশীদাৰিত্ব সৃষ্টিৰ বাবে **লুইজ ইনাকিঅ' লুলা দ্যা ছিলভা**ৰ সৈতে দ্বিপাক্ষিক বৈঠকত ভাগ ল'ব। এই বৈঠকত বাণিজ্য, প্ৰতিৰক্ষা, শক্তি, মহাকাশ, প্ৰযুক্তি, কৃষি, স্বাস্থ্য আৰু দুয়োখন দেশৰ জনসাধাৰণৰ মাজৰ সম্পৰ্কক লৈও আলোচনা অনুষ্ঠিত হ'ব। এই বৈঠকত দুয়োখন দেশে পাৰস্পৰিক স্বাৰ্থ জড়িত বিষয়সমূহত সহযোগিতা বৃদ্ধিৰ উদ্দেশ্যে কেইবাখনো বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিব। ব্ৰাজিলত থকা ভাৰতৰ ৰাষ্ট্ৰদূত **দীনেশ ভাটিয়া**ই ইয়াৰ পূৰ্বে জনাইছে যে, প্ৰধানমন্ত্ৰীৰ দ্বিপাক্ষিক বৈঠকত ইতিমধ্যে ৪ খনকৈ বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হৈছে। এই চুক্তি কেইখনৰ আধাৰত ভাৰত আৰু ব্ৰাজিলে সন্ত্ৰাসবাদ প্ৰতিৰোধ, গোপন তথ্যৰ আদান-প্ৰদান, পুনৰ ব্যৱহাৰ যোগ্য শক্তিৰ ক্ষেত্ৰত সহযোগিতা আৰু কৃষি গৱেষণাৰ ক্ষেত্ৰত কাম কৰিব।

প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে ৰিঅ' দি জেনেৰিঅ'ত অনুষ্ঠিত ব্ৰিকছ্ সন্মিলন ফলপ্ৰসূ হোৱা বুলি প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে ব্ৰিকছ্ সন্মিলনৰ সফল আয়োজনৰ বাবে ব্ৰাজিলৰ ৰাষ্ট্ৰপতিৰ লগতে চৰকাৰৰ প্ৰশংসা কৰে। তেওঁ লগতে কয়, যে বিশ্বনেতাসকলৰ সৈতে হোৱা প্ৰধানমন্ত্ৰীৰ দ্বিপাক্ষিক বৈঠকসমূহে বিভিন্ন দেশৰ সৈতে ভাৰতৰ বন্ধুত্বপূৰ্ণ সম্পৰ্ক অধিক সুদৃঢ় কৰিব।

ইয়াৰ পূৰ্বে ব্ৰিকছ্ সন্মিলনৰ পৰিৱেশ, কোপ-থাৰ্টি আৰু গোলকীয় স্বাস্থ্য বিষয়ক সত্ৰত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে প্ৰকৃতি আৰু মানুহৰ স্বাস্থ্যৰ মাজত এক নিবিড় সম্পৰ্ক আছে। তেওঁ কয়, যে ভাৰতে অহা বছৰ ব্ৰিকছ্ সন্মিলনৰ অধ্যক্ষতা কৰিব আৰু এই সন্মিলনে **স্থিতিস্থাপকতা আৰু উদ্ভাৱণৰ বাবে সহযোগিতা তথা বহন ক্ষমতা সৃষ্টি**ৰ বাবে গুৰুত্ব প্ৰদান কৰিব।

০০০০০

পাঁচখন দেশ ভ্ৰমণৰ অন্তিম পৰ্যায়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ নামিবিয়াৰ উইণ্ডহোকত উপস্থিত হ'ব। দেশখনৰ ৰাষ্ট্ৰপতি নেটুম্বো নন্দি-দেইটৱাহৰ আমন্ত্ৰণ মৰ্মে শ্ৰীমোদী দেশখনলৈ যাব। এয়া হ'ব কোনো ভাৰতীয় প্ৰধানমন্ত্ৰীৰ তৃতীয় আৰু শ্ৰীমোদীৰ প্ৰথমটো নামিবিয়া ভ্ৰমণ। শ্ৰীমোদীৰ ভ্ৰমণে উভয় দেশৰ সম্পৰ্ক ত্বৰান্বিত কৰাৰ লগতে হাইড্ৰকাৰ্বনকে ধৰি বিভিন্ন ক্ষেত্ৰত সহযোগিতাৰ নতুন পথ অন্বেষণৰ বাট মুকলি কৰিব। দুয়োখন দেশৰ মাজত বাণিজ্য আৰু বিনিয়োগ, খনন, হীৰা, শক্তি, স্বাস্থ্য যতন, প্ৰতিৰক্ষা, পৰিৱেশ, জৈৱ বৈচিত্ৰ, সামৰ্থ বিকাশ আদি বিভিন্ন ক্ষেত্ৰত সু-সম্পৰ্ক আছে। উল্লেখযোগ্য যে, বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত উভয় দেশৰ মাজত থকা সম্পৰ্কক অধিক শক্তিশালী কৰি তোলাৰ লক্ষ্যৰে ২০২২ বৰ্ষৰ ছেপ্তেম্বৰত নামিবিয়াৰ পৰা ভাৰতৰ কুনো ৰাষ্ট্ৰীয় উদ্যানলৈ ৮টা চিতা বাঘ অনা হৈছিল।

০০০০০

শক্তি খণ্ডত নিজৰ সামৰ্থ উন্নীতকৰণ আৰু সম্প্ৰসাৰণৰ বাবে ভাৰতে নৰৱেত বিভিন্ন প্ৰকল্পৰ সন্ধান কৰি আছে বুলি পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদ্বীপ সিং পুৰীয়ে জানিবলৈ দিয়ে। তেওঁ নৰৱেৰ বাৰ্গেনত থকা নৰ্ডান লাইটছ্ চি অ' টু টাৰ্মিনেল পৰিদৰ্শন কৰি হাইড্ৰ' কাৰ্বণ অন্বেষণৰ সমগ্ৰ কাম-কাজ বিশেষকৈ নৰৱেৰ শক্তি ক্ষেত্ৰত কাম কৰি থকা পেছাদাৰীসকলে কিদৰে সাগৰৰ গভীৰ পানীত অন্বেষণ চলায়, সেই বিষয়ে বুজ লয়।

সামাজিক মাধ্যমৰ এটা বাৰ্তাৰ জৰিয়তে শ্ৰীপুৰীয়ে কয়, যে ভাৰতে বিশ্বৰ অন্যতম বৃহৎ অন্বেষণ নিবিদা ৰাউণ্ডত ২ দশমিক ৫ লাখ বৰ্গ কিলোমিটাৰতকৈও অধিক অন্বেষণৰ পৰিকল্পনা কৰিছে।

০০০০০

গংগা নদীৰ তীৰৰ পশ্চিমবংগ তথা নিকটৱৰ্তী ঠাইসমূহৰ দক্ষিণ-পশ্চিম অঞ্চলত সৃষ্টি হোৱা নিম্ন চাপৰ ফলত মধ্য আৰু পূব ভাৰতত পৰৱৰ্তী ৩-৪ দিনলৈ ধাৰাষাৰ বৰষুণ হ'ব পাৰে বুলি ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আগজাননী দিছে। বিভাগে প্ৰকাশ কৰা অনুসৰি পৰৱৰ্তী ৪ৰ পৰা ৫ দিনলৈ উত্তৰ পশ্চিম ভাৰত আৰু পশ্চিম উপকূলে সামৰি লোৱা অঞ্চলসমূহতো মূষলধাৰ বৰষুণ হ'ব পাৰে। ইয়াৰ পৰিপ্ৰেক্ষিতত বিভাগে আৰব সাগৰৰ দক্ষিণ আৰু উত্তৰ অংশকে ধৰি গুজৰাট, গোৱা, কৰ্ণাটক আদি ৰাজ্যসমূহৰ গাতে লাগি থকা সাগৰীয় অঞ্চলসমূহলৈ মাছ মাৰিবলৈ নাযাবলৈ মাছমৰীয়াসকলৰ প্ৰতি সতৰ্কবাণী জাৰি কৰিছে।

ইপিনে, ধাৰাষাৰ বৰষুণৰ পৰিপ্ৰেক্ষিতত নাগালেণ্ডৰ জীৱন যাত্ৰা স্তব্ধপ্ৰায় হোৱাৰ বাতৰি আহিছে। ৰাজ্যখনৰ দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰকাশ কৰা অনুসৰি বৰষুণৰ ফলত ৰাজ্যখনৰ বিভিন্ন বাসগৃহ, পথ, দলং, ঝুম

পদ্ধতিৰে খেতি কৰা অঞ্চল আদি বিধবস্ত হৈছে। বিভিন্ন ঠাইত হোৱা বান আৰু ভূমিস্খলনৰ বাবে জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে ডিমাপুৰত আশ্ৰয় শিবিৰ স্থাপন কৰিছে। শিবিৰসমূহত এই পৰ্যন্ত ৮৪৪ গৰাকী লোকে আশ্ৰয় লৈ আছে বুলি জানিব পৰা গৈছে।

০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কালি কয়, যে অহা পহিলা আগষ্টৰ পৰা প্ৰযোজ্য হোৱাকৈ জাপান আৰু দক্ষিণ কোৰিয়াৰ সামগ্ৰীত ২৫ শতাংশ শুল্ক আৰোপ কৰা হ'ব। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিগৰাকীয়ে নিজৰ সামাজিক মাধ্যম ট্ৰুথ ছ'চিয়েলত এই সিদ্ধান্তৰ কথা সদৰী কৰে। সামাজিক মাধ্যমত তেওঁ কৰ আৰোপ কৰিবলগীয়া প্ৰতিখন দেশৰ নেতাসকললৈ প্ৰেৰণ কৰা চিঠিৰ প্ৰতিলিপি পোষ্ট কৰে। দক্ষিণ-পূব এছিয়াৰ দেশসমূহলৈ প্ৰেৰণ কৰা পত্ৰসমূহত তেওঁলোকক নিজৰ আমদানি কৰ বৃদ্ধি কৰি প্ৰতিশোধ ল'ব নালাগে বুলি সকীয়াই দিয়া হৈছে। অন্যথা আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰশাসনে আমদানি কৰ বৃদ্ধি কৰিব আৰু ই জাপান আৰু দক্ষিণ কোৰিয়াৰ বাহন আৰু বৈদ্যুতিক সামগ্ৰী খণ্ডত বিৰূপ প্ৰভাৱ পেলাব বুলিও পত্ৰসমূহত উল্লেখ কৰা হৈছে। বাণিজ্যিক ভাৰসাম্যহীনতা শুধৰাবলৈ চলি থকা প্ৰচেষ্টাৰ অংশ হিচাপে শ্ৰীট্ৰাম্পে অতিৰিক্ত পাঁচখন দেশ- ম্যানমাৰ, লাওছ, দক্ষিণ আফ্ৰিকা, কাজাখাস্তান আৰু মালয়েছিয়াৰ ওপৰতো শুল্ক আৰোপ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে এই দেশ পাঁচখনৰ সৈতে উল্লেখযোগ্য বাণিজ্যিক ঘাটি থকাৰ পাছতো আমেৰিকাই বাণিজ্য অব্যাহত ৰাখিবলৈ সাজু। কিন্তু এই বাণিজ্য "অধিক ন্যায্য আৰু সুষম" হ'ব লাগিব বুলি তেওঁ মন্তব্য কৰে।

০০০০০

প্ৰাক্তন চেম্পিয়ন নোভাক জকভিছে চলিত বৰ্ষৰ উইম্বলডন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰি-কোৱাৰ্টাৰ ফাইনেলত খেলুৱৈগৰাকীয়ে অষ্ট্ৰেলিয়াৰ এলেক্স ডি. মিনাউৰক ১-৬, ৬-৪, ৬-৪, ৬-৪ ফলাফলত পৰাস্ত কৰে। এইবাৰকে ধৰি জকভিচে ১৬ বাৰৰ বাবে প্ৰতিযোগিতাখনৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। এই পৰ্যন্ত খেলুৱৈগৰাকীয়ে উইম্বলডন টেনিছ প্ৰতিযোগিতাত ১০১ খন খেলত জয়ী হোৱাৰ বিপৰীতে মাত্ৰ ১১ খনতহে পৰাজয়ৰ মুখ দেখিছে। ৰোজাৰ ফেডাৰাৰৰ নামত প্ৰতিযোগিতাত সৰ্বাধিক ১০৫ খন খেলত জয়ী হোৱাৰ অভিলেখ আছে।

ইপিনে, বিশ্বক্ৰমৰ শীৰ্ষস্থানৰ খেলুৱৈ জেনিক চিনাৰেও প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰি-কোৱাৰ্টাৰ ফাইনেলত খেলুৱৈগৰাকী প্ৰতিদ্বন্দ্বী গ্ৰিগৰ ডিমিট্ৰোভৰ বিৰুদ্ধে ৬-৩, ৭-৫ ফলাফলত পিছ পৰি আছিল যদিও বিজয়ৰ প্ৰাক্‌মুহূৰ্তত ডিমিট্ৰোভে আঘাতৰ পৰিপ্ৰেক্ষিতত খেলখনৰ পৰা আধাতে বিদায় ল'ব লগা হয়।

০০০০০

ভাৰতৰ ১৯ বছৰ অনুৰ্ধ্বৰ দলটোৱে ইংলেণ্ডৰ ১৯ বছৰ অনুৰ্ধ্বৰ দলটোক ৩-২ ব্যৱধানত পৰাস্ত কৰি ৫ খনীয়া যুথ এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলা জয় কৰিছে। শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেলত ইংলেণ্ডে আলহী দল ভাৰতক ৭ উইকেটত পৰাস্ত কৰে। ৱৰছেষ্টাৰৰ কাউণ্টি খেলপথাৰত অনুষ্ঠিত খেলখনত প্ৰথমে বেট

ধৰাৰ সিদ্ধান্ত লৈ আয়ুষ মাহাত্ৰে নেতৃত্বাধীন ভাৰতীয় দলটোৱে নিৰ্ধাৰিত ৫০ অভাৰত ৯টা উইকেট হেৰুৱাই ২১০ ৰান সংগ্ৰহ কৰে। ভাৰতৰ আৰ এছ অম্বৃছে ৬৬ ৰান কৰি আউট নোহোৱাকৈ থাকে। প্ৰত্যুত্তৰত ঘৰুৱা দলটোৱে অপেনাৰদ্বয় বেন ডাউকিন্স আৰু বেন মেইজে সংগ্ৰহ কৰা ৬৬ আৰু ৮২ ৰানৰ সহায়ত তিনিটা উইকেট হেৰুৱাই ৩২ সংখ্যক অভাৰতে বিজয় লক্ষ্য অতিক্ৰম কৰে। ভাৰতৰ নমন পুষ্পকে দুটা আৰু দিপেছ দেৱেন্দ্ৰনে এটা উইকেট দখল কৰে।

দুয়োটা দলৰ মাজত ইয়াৰ পাছত দুখন টেষ্ট খেল অনুষ্ঠিত হ'ব। শৃংখলাৰ প্ৰথমখন খেল ১২ জুলাইত বেকেনহামত আৰম্ভ হ'ব।

০০০০০

স্পেইনৰ মাদ্ৰিদত হ'বলগীয়া চলিত বৰ্ষৰ আৰ্চাৰী বিশ্বকাপৰ চতুৰ্থ পৰ্যায়ত বিশ্বক্ৰমৰ প্ৰাক্তন শীৰ্ষস্থানৰ খেলুৱৈ দীপিকা কুমাৰী আৰু এছিয়ান গেমছৰ স্বৰ্ণ পদক বিজয়ী জ্যোতি সুৰেখা ভেনামে ভাৰতৰ প্ৰত্যাহ্বানৰ নেতৃত্ব দিব। এইবাৰৰ বিশ্বকাপ শৃংখলাৰ অন্তিম পৰ্যায়ত ৪৯খন দেশৰ ৩৩৬ গৰাকী খেলুৱৈয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। এয়া হ'ল চলিত বৰ্ষৰ শেষৰ ফালে নানজিংত হ'বলগীয়া বিশ্বকাপৰ ফাইনেলৰ বাবে যোগ্যতা অৰ্জনৰ অন্তিম সুযোগ। এই চতুৰ্থ পৰ্যায়ৰ খেলসমূহ ১৩ জুলাইলৈকে চলিব। ইয়াৰ পূৰ্বে অবাৰ্নডেলত অনুষ্ঠিত উদ্বোধনী পৰ্যায়ত ভাৰতে এটা সোণকে ধৰি মুঠ চাৰিটা পদক লাভ কৰিছিল। তাৰ পাছত চাংহাইত ভাৰতে সাতটা পদক লাভ কৰিছিল।

০০০০০

থাইলেণ্ডত অনুষ্ঠিত মহিলাৰ এ এফ চি এচিয়ান কাপ কোৱালিফায়াৰ্ছত সাফল্য অৰ্জন কৰি স্বদেশলৈ উভতি অহা ভাৰতৰ ফুটবল দলটোক কালি নতুন দিল্লীৰ ইন্দিৰা গান্ধী আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত বিপুল আদৰণি জনোৱা হয়। প্ৰতিযোগিতাত দলটোৱে মংগোলিয়া, টিমৰ লেষ্টে, ইৰাক আৰু আয়োজক থাইলেণ্ডৰ বিৰুদ্ধে চাৰিওখন খেলতে বিজয় অৰ্জন কৰিছিল। এই সাফল্যৰ বাবে অল ইণ্ডিয়া ফুটবল ফেডাৰেছনে দলটোলৈ ৪৩ লাখ টকাৰ পুৰস্কাৰ ঘোষণা কৰিছে। দলটোৱে অহা বছৰ মাৰ্চত অষ্ট্ৰেলিয়াত হ'বলগা মহিলাৰ এ এফ চি এচিয়ান কাপ প্ৰতিযোগিতাত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

০০০০০

**সমাপ্ত**